# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 16-08 -2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

---------------------

ধেমাজিত ২০০৪ চনৰ ১৫ আগষ্টত বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা ১৩টি শিশুক স্মৰণ কৰি ৰাজ্যৰ বিভিন্ন অংশত আজি শোক দিৱস পালন কৰা হৈছে। গুৱাহাটী অৱস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ লগতে ডিব্ৰুগড়, কাৰ্বি আংলং, বৰপেটা আদি বিভিন্ন জিলাত এই শোক দিৱসৰ সৈতে সংগতি ৰাখি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হয়। কাহিলীপাৰাৰ মুখ্য কাৰ্যালয়ত আয়োজিত আজিৰ শোক দিৱসৰ অনুষ্ঠানত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং, আৰক্ষী মহাপৰিদৰ্শক অখিলেশ সিং, বিবেকৰাজ সিং আৰু প্ৰশান্ত ভূঞাৰ লগতে আন বহুকেইগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়া আৰু বিভিন্ন বৰ্গৰ কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতেই সমাজত শান্তি, সামাজিক শৃংখলা আৰু সকলো শ্ৰেণীৰ লোকৰ মাজত পাৰস্পৰিক বুজাবুজি বৃদ্ধিৰ হকে কাম কৰাৰ লগতে মানৱ জীৱন আৰু প্ৰমূল্যবোধৰ প্ৰতি শংকা কঢ়িয়াই অনা অশুভ শক্তিৰ বিৰুদ্ধে যুঁজ দি যাবলৈ সকলোৱে শপত গ্ৰহণ কৰে। অসম আৰক্ষীৰ প্ৰশাসন বিভাগৰ সহকাৰী আৰক্ষী মহাপৰিদৰ্শক প্ৰণজ্যোতি গোস্বামীয়ে বিষয়া-কৰ্মচাৰীসকলক শপতবাক্য পাঠ কৰোৱায়।

একেদৰে ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত শোকসভাত নিৰ্বাচনী বিষয়া প্ৰাঞ্জিল গগৈয়ে ২০০৪ চনৰ ১৫ আগষ্টৰ বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি  অনুষ্ঠানত উপস্থিত থকা সকলোকে হিংসা বিৰোধী  শপত বাক্য পাঠ কৰোৱায়।

কাৰ্বি আংলঙতো বোমা বিস্ফোৰণত প্ৰাণ আহুতি দিয়াসকলক সুঁৱৰি জিলা আৰক্ষীৰ লগতে বৈঠালাংছু থানাৰ আৰক্ষীয়ে গভীৰ শোক প্ৰকাশ কৰে। অনুষ্ঠানত বৈঠালাংছু থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দীপজ্যোতি ইংতিয়ে ১ মিনিট মৌনতা অৱলম্বন কৰি বিদেহ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে দেশৰ অহিংসা আৰু পৰম্পৰাৰ প্ৰতি গভীৰ আস্থা ৰাখি সকলোকে শপতবাক্য পাঠ কৰোৱায়।

এই উপলক্ষে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে স্বাধীনতা দিৱসৰ দিনাই কৰুণভাৱে মৃত্যুক সাৱটি লোৱা শিশুকেইটিলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে ধেমাজিবাসীয়ে স্বাধীনতা দিৱস উদযাপন কৰিবলৈ অহা শিশু শিক্ষাৰ্থী, নাগৰিকৰ কৰুণ মৃত্যুত সেই বিষাদ গধুৰ স্মৃতি কেতিয়াও পাহৰিব নোৱাৰে। এই কৰুণ ঘটনাই আমাক সকলোকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে আৰু মানৱীয় প্ৰমূল্যবোধৰ সপক্ষে ঐক্যবদ্ধভাৱে যুঁজ দিবলৈ সাহস যোগাব।

০০০০০

২০২৭ চনত অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। উত্তৰ গুৱাহাটীত আজি দুখনকৈ উন্নত মানৰ ক্ৰীড়া একাডেমী মুকলি কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এই একাডেমী দুখনৰ জৰিয়তে ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰলৈ আমূল পৰিৱৰ্তন আহিব। ড০ শৰ্মাই কয় যে বিশ্বমানৰ খেলুৱৈ সৃষ্টি কৰিবলৈ হ'লে খেলুৱৈসকলৰ বাবে বিশ্বমানৰ সা-সুবিধা সৃষ্টি কৰিব লাগিব আৰু অসমত এনে প্ৰচেষ্টা চলি আছে। ৰাজ্যৰ প্ৰতিখন জিলাতে ক্ৰীড়াৰ অনুশীলনৰ বাবে উত্তম আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে আৰু প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।  ৪০ বিঘা ভূমিত নিৰ্মাণ কৰা অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট একাডেমী

আৰু গুৱাহাটী টাউন ক্লাবৰ ফুটবল একাডেমী দুখনত হোষ্টেল, জিম, পেভিলিয়ন, ইনড'ৰ ষ্টেডিয়াম আৰু খেলপথাৰকে ধৰি সকলো ধৰণৰ সা-সুবিধা আছে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী অশোক সিংহাল উপস্থিত থাকে।

০০০০০

বিশ্বনাথ জিলা প্ৰশাসনে কাইলৈ ননকে জাপৰিগুৰিৰ ১৭০ বিঘা ভূমিত উচ্ছেদ চলাব। উচ্ছেদ অভিযানৰ বাবে আৰক্ষী প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে ইতিমধ্যে অঞ্চলটোত আৰক্ষী প্ৰশাসন সন্থম হৈ আছে আৰু অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদ অভিযানৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ কৈছিল। অঞ্চলটোৰ পৰা অধিকাংশ লোক আঁতৰি গৈছে। জিলাখনত অবৈধ দখলকাৰীৰ কবলত ৫৬ হাজাৰ বিঘা চৰকাৰী ভূমি আছে। ইয়াৰে ভিতৰত বিশ্বনাথ ৰাজহ চক্ৰতে প্ৰায় ৪৪ হাজাৰ বিঘা ভূমি আছে।

০০০০০

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি  যোৰহাট জিলাৰ কৃষি মহাবিদ্যালয়ৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত তেঁও কৃষি ক্ষেত্ৰৰ বিকাশত মহাবিদ্যালয়খনৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যা সম্পৰ্কেও বুজ লয়।

কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰীগৰাকীয়ে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাতো মুখ্য অতিথি হিচাপে অংশ লৈ শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰে। তেওঁ এই অনুষ্ঠানতে বিগত শৈক্ষিক বৰ্ষত শ্ৰেষ্ঠত্ব অৰ্জন কৰা কেইবাগৰাকীও শিক্ষাৰ্থীক বঁটা প্ৰদান কৰে।

০০০০০

প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত পঞ্জীয়নৰ অন্তিম তাৰিখ শালি ধানৰ বাবে ২০ আগষ্ট আৰু মাটি মাহৰ বাবে ১৫ ছেপ্তেম্বৰ ধাৰ্য কৰা হৈছে। ইয়াৰ সবিশেষ তথ্যৰ বাবে স্থানীয় কৃষি বিষয়া অথবা সংশ্লিষ্ট বীমা কোম্পানীৰ প্ৰতিনিধিৰ সৈতে যোগাযোগ কৰিবলৈ খেতিয়কসকলক কোৱা হৈছে। এই যোজনাৰ অধীনত প্ৰাকৃতিক দুৰ্যোগ আৰু অনাকাংক্ষিত লোকচানৰ বাবে খেতিয়ক সকলক ক্ষতিপূৰণ কৰা হয়।

০০০

সমাপ্ত